# 2021

# ASSAMESE

## ( Modern Indian Language )

## [ Special Examination ]

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP—A** (বিভাগ—ক) আৰু **GROUP—B** (বিভাগ—খ)-ৰ উত্তৰ কৰিব লাগিব।

অথবা

**GROUP—A** (বিভাগ—ক) আৰু **GROUP—C** (বিভাগ—গ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।



https://www.assamboard.com

## GROUP—A

( বিভাগ—ক )

( *মূল্যাংক* : ৭৫ )

১। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) 'ছাত্ৰ জীৱন আৰু সমাজসেৱা' প্ৰবন্ধটো প্ৰথম কোনখন আলোচনীত প্ৰকাশ পাইছিল ?

(খ) 'ফ্ৰম ভল্‌গা টু গংগা' কাৰ ৰচনা ?

২। চমু উত্তৰ লিখা : ২×২=৪

(ক) ''গাঁও একাধাৰে নগৰৰ জনক-জননী''

—কথাষাৰৰ তাৎপৰ্য বুজাই লিখা।

(খ) ভাৰতীয় সংস্কৃতিত ইছলামৰ অৱিহণাৰ এটি টোকা যুগুত কৰা।

৩। ''সকলো আৰ্টৰ মূলতে দুটা বিপৰীত পন্থাই কাম কৰা দেখা যায়।'' কথাষাৰ মুকলিকৈ বুজাই লিখা। ৩

৪। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ছাত্ৰ-জীৱনৰ প্ৰকৃত উদ্দেশ্য সফল কৰিবলৈ ছাত্ৰসকলে শিক্ষাৰ সময়ছোৱাত কেনেবোৰ পন্থা অৱলম্বন কৰিব পাৰে? দেশসেৱাত ব্ৰতী হ'বলৈ ছাত্ৰ-জীৱনত বহুমুখী শিক্ষাৰ প্ৰয়োজনীয়তা সম্বন্ধে লিখা।

(খ) ''সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।'' বহলাই লিখা।

৫। অতি চমু উত্তৰ লিখা : ১×২=২

(ক) ''কম্পিউটাৰটো একান্ত নিজৰ সম্পত্তি হিচাপে পোৱাৰ পাছত তাইৰ মনটো যেন থৌকি-বাথৌ হ'ল।''

ইয়াত 'তাই' বুলি কাৰ কথা কোৱা হৈছে?

(খ) পূজাৰ বন্ধত কুঁৱলীহঁত ক'লৈ যোৱাৰ সিদ্ধান্ত লৈছিল?

https://www.assamboard.com

৬। চমু উত্তৰ লিখা : ২

ইণ্টাৰনেট কি ?

৭। চমু উত্তৰ লিখা : ২×২=৪

(ক) ই-মেইলৰ সোৱাদত কুঁৱলীয়ে কিমান অভিভূত হৈছিল, বুজাই লিখা।

(খ) ৱেবচাইট কি ?

৮। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) 'ইণ্টাৰনেটৰ তিতা মিঠা' গল্পটোৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা।

(খ) ইণ্টাৰনেটৰ প্ৰয়োজনীয়তা সম্বন্ধে পাঠটোৰ সহায়ত বুজাই লিখা।

৯। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১

(ক) 'মোহ পাশ' মানে কি ?

(খ) 'জিকিৰ' শব্দটো কি শব্দৰ পৰা ওলাইছে ?

১০। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখা :

(ক) তলত দিয়া যি কোনো দুটা শব্দৰ আধুনিক ৰূপ লিখা :

নপাৰন্ত ; ভৈলোহো ; তুমিসে ; জনেৰ।

(খ) "পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।"

—অন্তৰ্নিহিত ভাবটি লিখা।



https://www.assamboard.com

১১। তলৰ যি কোনো এটাৰ চমু টোকা লিখা :

(ক) ব্ৰজাৱলী ভাষা

(খ) জিকিৰ

১২। তলৰ যি কোনো এছোৱা ব্যাখ্যা কৰা :

(ক) সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা॥

(খ) চিন্তো হেৰা মোৰ মন আল্লাৰ নামত।
ভজো হেৰা মোৰ মন গুৰুৰে পাৱত॥

১৩। অসমীয়াসকলে কিহেৰে তৈয়াৰী পেঁপা বজাইছিল ?

১৪। 'মই অসমীয়া' কবিতাটোত অসমৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ কিদৰে প্ৰতিফলিত হৈছে, বুজাই লিখা। https://www.assamboard.com ৩

১৫। 'মই অসমীয়া' কবিতাটোৰ মূলভাব লিখা। ৪

১৬। (ক) তলৰ যি কোনো এটা শব্দৰ সন্ধি ভাঙা : ১

দিগন্ত ; উল্লাস ; মনোযোগ।

(খ) তলৰ যি কোনো এটাৰ ব্যাসবাক্যসহ সমাসৰ নাম লিখা : ১

বাৰমাহী ; গুপ্তচৰ ; আমি।

(গ) তলত দিয়া যি কোনো এটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা : ১

নিৰ্ণয় ; ঋণ ; পৰিষ্কাৰ।



https://www.assamboard.com

(ঘ) যথাস্থানত যতি চিহ্ন বহুওৱা : ১

উঃ কি ৰ'দ

(ঙ) তলৰ যি কোনো এটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা : ১

স্থাৱৰ ; তিৰস্কাৰ ; বিৰাট।

(চ) এটা শব্দত প্ৰকাশ কৰা (যি কোনো এটা) : ১

পথৰ-পৰা যি বিচলিত হৈছে ; নোহোৱা বস্তু যি উলিয়ায় ; মাটিৰে নিৰ্মিত।

(ছ) তলত দিয়া বাক্যটি সৰল বাক্যলৈ পৰিৱৰ্তন কৰা : ২

যিজনে মিছা কয়, তাক সকলোৱে বেয়া পায়।

(জ) তলৰ যি কোনো দুটা শব্দৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা : ২

বাটে পোৱালি মেলা ; মাটিৰ পুতলা ; আলাসৰ লাড়ু।

১৭। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা :

(ক) ভাৱ সম্প্ৰসাৰণ কৰা :

উপকাৰীক অজগৰে খায়।

(খ) তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি বিদ্যালয়ত চাৰিদিন অনুপস্থিত থকাৰ কাৰণ দৰ্শাই ছুটী মঞ্জুৰিৰ বাবে এখন আবেদন পত্ৰ লিখা।

(আবেদন পত্ৰত তোমাৰ নাম, ঠিকনা উল্লেখ নকৰিবা)

(গ) তুমি দেখি থকা সমাজৰ যি কোনো এটা কু-সংস্কাৰৰ বিষয়ে স্থানীয় বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা।



https://www.assamboard.com

১৮। তলত দিয়া যি কোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) পুথিভঁৰাল

(আৰম্ভণি—পুথিভঁৰালৰ আৱশ্যকতা—পুথিভঁৰালত থকা সা-সুবিধা—সামৰণি)

(খ) ভাৰতৰ জনসংখ্যা সমস্যা

(আৰম্ভণি—জনসংখ্যা বৃদ্ধিৰ কাৰণ—সমাধানৰ উপায়—সামৰণি)

(গ) অসমৰ প্ৰাকৃতিক সৌন্দৰ্য

(আৰম্ভণি—প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা—অৰ্থনীতিত অসমৰ প্ৰাকৃতিক সৌন্দৰ্যৰ ভূমিকা—সামৰণি)

---

১৯। 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ চমু পৰিচয় দিয়া। ৩×২=৬

২০। তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যি কোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমুটোকা লিখা। ২×২=৪

**https://www.assamboard.com**
**Whatsapp @ 9300930012**
**Send your old paper & get 10/-**
**अपने पुराने पेपर्स भेजे और 10 रुपये पायें,**
**Paytm or Google Pay से**

https://www.assamboard.com